# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-10-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# **HEADLINES**

১। ভাৰত আৰু চীনে এই মাহৰ শেষ ভাগত উভয় দেশৰ কেতবোৰ নিৰ্দিষ্ট স্থানৰ মাজত পোনপটীয়া বিমান সেৱা পুনৰ আৰম্ভ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।

২। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ডিচেম্বৰত ভাৰতলৈ আহিব।

৩। মধ্যপ্ৰদেশত দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জন দি উভতি অহাৰ সময়ত সংঘটিত এটা দুৰ্ঘটনাত এই পৰ্যন্ত ১০ গৰাকী লোকৰ মৃত্যু হৈছে।

৪। প্ৰবীণ গান্ধীবাদী, সমাজবাদী নেতা তথা স্বাধীনতা সংগ্ৰামী জি জি পাৰিখৰ কালি মুম্বাইত দেহাৱসান ঘটে।

*আৰু*

৫। আহমেদাবাদ টেষ্টৰ আজি দ্বিতীয় দিনা ভাৰতে কালি ২টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১২১ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব।

ooooo

ভাৰত আৰু চীনে এই মাহৰ শেষ ভাগত উভয় দেশৰ কেতবোৰ নিৰ্দিষ্ট স্থানৰ মাজত পোনপটীয়া বিমান সেৱা পুনৰ আৰম্ভ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে দুয়োখন দেশৰ অসামৰিক বিমান পৰিবহণৰ কৰ্তৃপক্ষই পোনপটীয়া বিমান সেৱা পুনৰ আৰম্ভ কৰা আৰু বিমান সেৱা চুক্তিৰ সংশোধন সন্দৰ্ভত কাৰিকৰী পৰ্যায়ৰ আলোচনা চলাই আছে। ভাৰত আৰু চীনৰ মাজৰ সম্পৰ্ক পুনৰ স্বাভাৱিক কৰি তোলাৰ দৃষ্টিভংগীৰ অধীনত চৰকাৰে চলিত বৰ্ষৰ প্ৰথম ভাগৰে পৰাই ভালেমান উদ্যম গ্ৰহণ কৰিছে। পোনপটীয়া বিমান সেৱা পুনৰ আৰম্ভ কৰাৰ বিষয়টো উভয় দেশৰ নিৰ্দিষ্ট বিমান পৰিবহণ কোম্পানী আৰু পৰিচালন মান পূৰণৰ ওপৰত নিৰ্ভৰ কৰিব। অসামৰিক বিমান পৰিবহণ কৰ্তৃপক্ষৰ মাজৰ এই চুক্তিয়ে ভাৰত আৰু চীনৰ জনসাধাৰণৰ মাজত সম্পৰ্ক অধিক সুচল কৰি তুলিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ইয়াৰ ফলত দ্বিপাক্ষিক বিনিময় অধিক সুগম হৈ উঠিব বুলি আশা কৰা হৈছে।

ooooo

ৰাছিয়াৰ ৰাষ্ট্ৰপতি কাৰ্যালয়ে প্ৰকাশ কৰা মতে ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ডিচেম্বৰত ভাৰতলৈ আহিব। ৰাষ্ট্ৰপতি কাৰ্যালয়ৰ মুখপাত্ৰ দমিত্ৰী

পেছকোভে কালি নৱবৰ্ষৰ পূৰ্বে ৰাষ্ট্ৰপতি পুটিন ভাৰতলৈ অহাৰ কথা নিশ্চিত কৰে। তেওঁ লগতে এই ভ্ৰমণৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি থকা বুলি প্ৰকাশ কৰে। ২০২২ বৰ্ষৰ প্ৰথম ভাগত ইউক্ৰেইন সংঘৰ্ষ আৰম্ভ হোৱাৰ পাছত এয়া হ'ব শ্ৰীপুটিনৰ প্ৰথম ভাৰত ভ্ৰমণ।

০০০০০

মধ্যপ্ৰদেশৰ খাণ্ডৱা জিলাৰ জামলি গাঁৱৰ এখন সৰু দলঙৰ পৰা এখন ট্ৰেক্টৰ নদীত পৰি যোৱাৰ ফলত ১০ গৰাকী লোকৰ মৃত্যু হৈছে। দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জন দি উভতি অহাৰ সময়তেই এই দূৰ্ঘটনা সংঘটিত হয়। ট্ৰেক্টৰখনত মুঠ ১৪গৰাকী ভক্ত আছিল। নিশা বহু দেৰীলৈকে উদ্ধাৰ অভিযান অব্যাহত ৰখা হয়। জিলা প্ৰশাসন আৰু স্থানীয় ৰাইজেও ততপৰতাৰে উদ্ধাৰ অভিযানত জড়িত হৈ থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুৰ্ঘটনাক কেন্দ্ৰ কৰি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। আহতসকলৰ আশু আৰোগ্যৰ বাবে তেও ভগৱানক প্ৰাৰ্থনা জনাই।প্ৰধানমন্ত্ৰী গৰাকীয়ে মৃতকৰ পৰিয়াললৈ দুই লাখ টকাৰ আৰ্থিক সাহায্যৰ লগতে আহতসকলৰ বাবে পঞ্চাশ হাজাৰ টকাকৈ ধন দিয়াৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰী মোহন যাদৱে ঘোষণা কৰিছে, যে মৃতকৰ পৰিয়ালক চাৰি লাখ টকাৰ এক কালীন সাহায্য প্ৰদান কৰা হব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা জি এছ টি সঞ্চয় উৎসৱ যোৱা ২২ ছেপ্তেম্বৰৰ পৰা প্ৰযোজ্য হৈছে আৰু ইয়াৰ পৰা সমাজৰ সকলো শ্ৰেণী লাভান্বিত হৈছে। পৰৱৰ্তী প্ৰজন্ম জি এছ টি সংস্কাৰসমূহ দেশৰ পৰোক্ষ কৰ ব্যৱস্থাৰ সৰলীকৰণৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ পদক্ষেপ ৰূপে পৰিগণিত হৈছে। এই সংস্কাৰ ব্যৱস্থাই বিভিন্ন সামগ্ৰী আৰু সেৱাৰ ওপৰত আৰোপিত কৰ হ্ৰাস কৰি নাগৰিকসকলক সকাহ প্ৰদান কৰিছে।

ছাত্ৰ-ছাত্ৰীসকলক এনে সংস্কাৰৰ অধীনত বহী, পেঞ্চিল আদিত ১২ শতাংশ ৰেহাই দিয়া হৈছে। একেদৰে ৰবৰৰ ক্ষেত্ৰত এতিয়াৰে পৰা কোনো ধৰণৰ জি এছ টি নাথাকিব। জ্যামিতিৰ বাকচ, ৰঙৰ বাকচ আৰু পেঞ্চিল বাকচত পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। এই খণ্ডত কৰ কৰ্তনে ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক চাপ লাঘৱ কৰাৰ লগতে বজাৰত এই সামগ্ৰীসমূহৰ খুচুৰা বিক্ৰী বৃদ্ধি কৰিব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰত-পাকিস্তান সীমান্তৰ ছাৰ ক্ৰিক এলেকাত পাকিস্তানে সংঘটিত কৰিব পৰা যিকোনো ধৰণৰ দুঃসাহসিক কাৰ্যৰ বিৰুদ্ধে দেশখনক সকিয়াই দিছে। ভাৰতে এনে কাৰ্যৰ উপযুক্ত প্ৰত্যুত্তৰ দিব বুলি সকিয়নী দি তেওঁ লগতে কয়, যে ইয়াৰ ফলত ইতিহাস আৰু ভূগোল দুয়োটাই সলনি হৈ যাব পাৰে। তেওঁ কয়, যে ভাৰতীয় সেনা বাহিনীয়ে অপাৰেচন সিন্দূৰৰ জৰিয়তে পাকিস্তানী বায়ু প্ৰতিৰক্ষা বিভাগক সম্পূৰ্ণৰূপে উদঙাই দিয়াৰ লগতে যেতিয়াই ভাৰতে বিচাৰে, তেতিয়াই পাকিস্তানৰ প্ৰতিৰক্ষাৰ দিশটোৰ বৃহৎ ক্ষতি কৰিব পাৰে

বুলি বিশ্ববাসীলৈ এক বাৰ্তাও প্ৰেৰণ কৰিছে। বিজয়া দশমীৰ সৈতে সংগতি ৰাখি কটচ্চৰ লক্কি নালা মিলিটাৰী গেৰিচনত আয়োজন কৰা শস্ত্ৰ পূজন উৎসৱত অংশগ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কালি এই কথা প্ৰকাশ কৰে।

০০০০০

প্ৰবীণ গান্ধীবাদী, সমাজবাদী নেতা তথা স্বাধীনতা সংগ্ৰামী জি জি পাৰিখৰ কালি মুম্বাইত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ১০০ বছৰ। স্বাধীনতা সংগ্ৰামীগৰাকীক তেওঁৰ জীৱন কালত দুবাৰ কাৰাদণ্ডৰে দণ্ডিত কৰা হৈছিল। প্ৰথমটো ১৯৪২ চনত ভাৰত ত্যাগ অন্দোলনৰ সময়ত আৰু পাছত জৰুৰী অৱস্থাৰ সময়ত। এই জটিলতাৰ পাছতো সামাজিক কাৰ্যৰ প্ৰতি তেওঁৰ নিষ্ঠা অভূতপূৰ্ব আছিল। তেওঁ ছাত্ৰ কৰ্মী হিচাপে ৰাজহুৱা সক্ৰিয় জীৱন আৰম্ভ কৰিছিল আৰু ১৯৪০ৰ দশকত সৌৰাজ্য আৰু মুম্বাইৰ আন্দোলনত অংশগ্ৰহণ কৰিছিল। তেওঁ ছাত্ৰ কংগ্ৰেছৰ বম্বে গোটৰ অধ্যক্ষৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০

নতুন দিল্লীৰ খাদী গ্ৰামোদ্যোগ ভৱনত জি এছ টি সঞ্চয় উৎসৱৰ অধীনত খাদী আৰু গ্ৰামোদ্যোগত উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত বিশেষ ৰেহাই মূল্যত কালি এখন সামগ্ৰী বিক্ৰী মেলা অনুষ্ঠিত হয়। মহাত্মা গান্ধীৰ জয়ন্তী উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি এই বিক্ৰী মেলা মুকলি কৰে। গ্ৰাহকক খাদী সামগ্ৰীৰ ক্ষেত্ৰত ২০ শতাংশ আৰু খাদী গ্ৰামোদ্যোগ সামগ্ৰীৰ ক্ষেত্ৰত ১০ শতাংশ ৰেহাই দিয়া হ'ব। কালি আৰম্ভ হোৱা আৰু অহা ৫ নবেম্বৰত সামৰণি পৰিবলগীয়া খাদী মহোৎসৱ-২০২৫লৈ এই ৰেহাই ব্যৱস্থা থাকিব। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰীশ্বাহে দেশবাসীক খাদী আৰু স্বদেশী সামগ্ৰীৰ ব্যৱহাৰৰ বাবে আহ্বান জনায়।

০০০০০

বস্ত্ৰ মন্ত্ৰ্যালয়ে ২০২৫-২৬ খাৰিফ কপাহ বৰ্ষৰ বাবে নুন্যতম সমৰ্থন মূল্য কাৰ্যকৰী কৰাৰ প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। বস্ত্ৰ মন্ত্ৰ্যালয়ৰ সচিবগৰাকীয়ে কালি ২০২৫-২৬ খাৰিফ কপাহ বৰ্ষৰ বাবে নুন্যতম সমৰ্থন মূল্য সম্পৰ্কীয় প্ৰস্তুতিৰ বিশদ পৰ্যালোচনা কৰে। বস্ত্ৰ মন্ত্ৰ্যালয়ৰ এটা বিবৃতিত এই বুলি কোৱা হৈছে যে, মন্ত্ৰ্যালয়ে অসুবিধা জড়িত ক্ৰয়, সময়মতে ধনাদায় আৰু ডিজিটেল অন্তৰ্ভুক্তি সুনিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰজোৱা ৰণকৌশল প্ৰস্তুত কৰি উলিয়াইছে। দেশৰ ১১ খন ৰাজ্যত অভিলেখ সংখ্যক ৫৫০টা কপাহ ক্ৰয় কেন্দ্ৰ কাৰ্যক্ষম কৰি তোলা হৈছে বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ আৰু অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডু কিঞ্জৰাপু কালি নতুন দিল্লীত এয়াৰবাছ আৰু ইণ্ডিগ'ৰ শীৰ্ষ কাৰ্যবাহী বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। ভাৰতৰ অসামৰিক বিমান পৰিবহণ খণ্ড শক্তিশালী কৰাৰ লগতে ভাৰত আৰু ইউৰোপৰ মাজত অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰাৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়। ভাৰতৰ আত্মনিৰ্ভৰশীলতা আৰু বহনক্ষম উন্নয়নৰ সৈতে সংগতি ৰাখি বৈঠকত প্ৰযুক্তি হস্তান্তৰ, উৎপাদন অংশীদাৰিত্ব আৰু সেউজ বিমান পৰিবহণকে ধৰি বিভিন্ন ক্ষেত্ৰসমূহৰ বিষয়েও আলোচনা কৰা হয়। ড° জয়শংকৰে সামাজিক মাধ্যম যোগে কয়, যে এয়াৰবাছ আৰু ইণ্ডিগ'ৰ নেতৃত্বৰ সৈতে জড়িত হৈ তেওঁ আনন্দিত হৈছে। ভাৰত-ইউৰোপৰ

ক্ৰমবৰ্ধমান সম্পৰ্ক সন্দৰ্ভত আলোকপাত কৰি ভাৰতৰ দ্ৰুত আন্তঃগাঁথনি আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ পৰা উদ্ভৱ হোৱা কৌশলগত দিশসমূহৰ ওপৰতো বৈঠকত গুৰুত্ব আৰোপ কৰা হৈছে বুলিও কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰে।

ooooo

অৰুণাচল প্ৰদেশত সংঘটিত হোৱা বাছ দুৰ্ঘটনাৰ **১৩** জন নাগৰিকক কালি ভাৰতীয় সেনাই উদ্ধাৰ কৰে। প্ৰতিৰক্ষা বিভাগৰ মুখপাত্ৰ লেফটেনেণ্ট কৰ্ণেল মহেন্দ্ৰ ৰাৱাটে কয়, যে টাৱাং জিলাৰ বৈশাখীৰ সমীপৰ গজৰাজ কৰ্পছৰ জোৱানে ততপৰতাৰে উদ্ধাৰ অভিযান আৰম্ভ কৰে। **১৩** গৰাকী যাত্ৰীক উদ্ধাৰ কৰা হৈছে বুলিও তেওঁ কয়। সেনা জোৱানসকলে আহতসকলক তাৎক্ষণিক চিকিৎসা সাহায্য প্ৰদান কৰে বুলিও লেফটেনেণ্ট কৰ্ণেল ৰাৱাটে প্ৰকাশ কৰে।

ooooo

ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি দ্বিতীয় দিনা দুটা উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা **১২১** ৰাণৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। কালি খেলৰ সামৰণিৰ পৰত কে. এল. ৰাহুলে ৫৩ আৰু শুভমন গিলে **১৮** ৰাণ কৰি খেলি আছিল। যশস্বী জয়ছোৱালে ৩৫ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰত ৮টা উইকেট থকা অৱস্থাত ৱেষ্ট ইণ্ডিজৰ প্ৰথম ইনিংছত ৪**১** ৰানত পিছ পৰি আছে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ **১**৬২ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ মহমদ ছিৰাজে ৪টা আৰু যশপ্ৰীট বুমৰাহে ৩টা উইকেট দখল কৰে।

ooooo

**সমাপ্ত**